**CODE : 34T LOPH**

# 2024

# LOGIC AND PHILOSOPHY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

*Q. No. 1 carries 1 mark each* ........................................ 1×12 = 12

*Q. Nos. 2 – 13 carry 2 marks each* .................................. 2×12 = 24

*Q. Nos. 14 – 23 carry 4 marks each* ................................ 4×10 = 40

*Q. Nos. 24 – 27 carry 6 marks each* ................................ 6×4 = 24

Total = 100

*Contd.*

1. Give very short answers : 1×12=12

অতি চমু উত্তৰ দিয়া ঃ

(a) "Logic is a normative science." Is the statement true?

"তৰ্কবিজ্ঞান আদৰ্শনিষ্ঠ বিজ্ঞান।" কথাষাৰ সত্য নে ?

(b) What kind of proposition does Scientific Induction establish?

বৈজ্ঞানিক আগমনে কোন প্ৰকাৰৰ বচন প্ৰতিষ্ঠা কৰে ?

(c) What is the ground of Unscientific Induction?

অবৈজ্ঞানিক আগমনৰ ভিত্তি কি ?

(d) Who is the propounder of Scientific Realism?

বিজ্ঞানসন্মত বাস্তৱবাদৰ প্ৰৱৰ্তক কোন ?

(e) Give an example of non-moral action.

নিৰ্নৈতিক ক্ৰিয়াৰ এটি উদাহৰণ দিয়া।

(f) What word does Buddha use to mean 'Mokṣa' or 'Liberation'?

বুদ্ধই 'মোক্ষ' বা 'মুক্তি'ক বুজাবলৈ কি শব্দ ব্যৱহাৰ কৰিছে ?

(g) Which theory of Truth does Naive Realism support?

সৰল বাস্তৱবাদে সত্যতাৰ কোনটো মতবাদ সমৰ্থন কৰে ?

(h) "Religion is faith in the conservation of values." Who said this?

"ধৰ্ম হ'ল মূল্যৰ অবিনাশিতাত বিশ্বাস।" কথাষাৰ কোনে কৈছিল ?

(i) On which law is the quantitative mark of a cause based?

কাৰণৰ পৰিমাণগত লক্ষণ কি নিয়মৰ ওপৰত প্ৰতিষ্ঠিত ?

(j) How many instances are required for the method of difference?

ব্যতিৰেকী পদ্ধতিৰ বাবে কেইটা দৃষ্টান্তৰ প্ৰয়োজন হয় ?

(k) What is the meaning of the Greek word 'Ethos'?

গ্ৰীক শব্দ 'Ethos' ৰ অৰ্থ কি ?



(l) "Hypothesis is a provisional supposition." Is it true?

"প্ৰকল্প হৈছে এটা আনুমানিক ধাৰণা।" এইটো সত্য নে ?

2. Give an example of Good Analogy. 2

সু-সাদৃশ্যানুমানৰ এটি উদাহৰণ দিয়া।

*Or / নাইবা*

Give the definition of Scientific Induction. 2

বৈজ্ঞানিক আগমনৰ সংজ্ঞা দিয়া।

3. What do you mean by 'conjunction of causes'? 2

'কাৰণ সমন্বয়' বুলিলে কি বুজা ?

*Or / নাইবা*

State *two* advantages of Simple Observation. 2

নিৰীক্ষণৰ *দুটা* সুবিধা উল্লেখ কৰা।

4. Mention *two* differences between Primary Quality and Secondary Quality. 2

মুখ্য গুণ আৰু গৌণ গুণৰ মাজত থকা *দুটা* পাৰ্থক্য লিখা।

5. "Esse est percipi" Give the meaning of the statement. 2

"অস্তিত্ব প্ৰত্যক্ষ নিৰ্ভৰ" এই কথাষাৰৰ অৰ্থ কি ?

*Or / নাইবা*

What is the theory of 'Pre-established harmony'? 2

'পূৰ্ব স্থাপিত শৃংখলা' মতবাদ কি ?

6. Give an example of Fallacy of Non-observation. 2

অনবেক্ষণ দোষৰ এটা উদাহৰণ দিয়া।

7. What are the postulates of Ethics? 2

নীতিবিদ্যাৰ স্বীকাৰ্য সত্য কেইটা কি কি?

*Or / নাইবা*

What is the meaning of 'intention' in Ethics? 2

নীতিবিদ্যাত 'অভিপ্ৰায়ৰ' অৰ্থ কি?

8. Write *any two* criticisms of Naive Realism. 2

সৰল বাস্তৱবাদৰ *যিকোনো দুটা* সমালোচনা লিখা।

9. Give a concrete example of method of difference. 2

ব্যতিৰেকী পদ্ধতিৰ এটি বাস্তৱ উদাহৰণ দিয়া।

10. Why is habitual action considered as an object of moral judgement? 2

অভ্যাসজনিত ক্ৰিয়াক নৈতিক অৱধাৰণৰ বিষয়বস্তু বুলি কিয় গণ্য কৰা হয়?

11. What do you mean by 'vera cause'? 2

'অস্তিত্বশীল কাৰণ' বুলিলে কি বুজা?

*Or / নাইবা*

What is 'Working Hypothesis'? 2

'কাৰ্যকৰী প্ৰকল্প' কি?

12. Give a concrete example of direct variation. 2

একমুখী বা প্ৰত্যক্ষ সহ-পৰিৱৰ্তনৰ এটি বাস্তৱ উদাহৰণ দিয়া।

13. What is 'hypothesis concerning law'? 2

'নিয়ম সম্পৰ্কীয় প্ৰকল্প' কাক বোলে?

14. What is Induction? State *two* differences between Induction and Deduction. 2+2=4

আগমন কাক বোলে? আগমন আৰু নিগমনৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।



*Or / নাইবা*

State *four* points of difference between Scientific Induction and Unscientific Induction. 4

বৈজ্ঞানিক আগমন আৰু অবৈজ্ঞানিক আগমনৰ মাজত থকা *চাৰিটা* পাৰ্থক্য লিখা।

15. What do you mean by the doctrine of 'Plurality of Causes'? Why is 'Plurality of Causes' not scientifically acceptable? 3+1=4

'নানা কাৰণবাদ' বুলিলে কি বুজা? নানা কাৰণবাদ কিয় বিজ্ঞানসন্মত নহয়?

*Or / নাইবা*

Mention *four* characteristics of experiment. 4

পৰীক্ষণৰ *চাৰিটা* বৈশিষ্ট্য উল্লেখ কৰা।

16. Write a brief note on 'Mokṣa' or 'Liberation' as explained in Indian philosophy. 4

ভাৰতীয় দৰ্শনৰ বৰ্ণনা অনুসৰি 'মোক্ষ' বা 'মুক্তি'ৰ ওপৰত এটি চমু টোকা লিখা।

*Or / নাইবা*

Explain the concept of 'Dharma' as 'Purusārtha'. 4

'পুৰুষাৰ্থ' হিচাপে 'ধৰ্ম'ৰ ধাৰণা ব্যাখ্যা কৰা।

17. Define Idealism. Name *two* idealistic philosophers mentioning their theories. 2+2=4

ভাৱবাদৰ সংজ্ঞা দিয়া। *দুজন* ভাৱবাদী দাৰ্শনিকৰ নাম তেওঁলোকৰ মতবাদৰ সৈতে উল্লেখ কৰা।

*Or / নাইবা*

Write a short note on Plato's idealism. 4

প্লেটোৰ ভাৱবাদৰ ওপৰত এটি চমু টোকা লিখা।

18. Write *any four* characteristics of Naive Realism. 4

সৰল বাস্তৱবাদৰ *যিকোনো চাৰিটা* বৈশিষ্ট্য লিখা।

19. Mention the names of different kinds of Hypothesis. 4

প্ৰকল্পৰ বিভিন্ন প্ৰকাৰসমূহৰ নাম উল্লেখ কৰা।

*Or / নাইবা*

What do you mean by 'Crucial Instance'? 4

'চৰম দৃষ্টান্ত' বুলিলে কি বুজা ?

20. State *two* advantages and *two* disadvantages of the Method of Difference. 2+2=4

ব্যতিৰেকী পদ্ধতিৰ *দুটা* সুবিধা আৰু *দুটা* অসুবিধা উল্লেখ কৰা।

21. Briefly discuss the nature of Monads as described by Leibnitz. 4

লাইবনিঝৰ বৰ্ণনা অনুসৰি 'মনাড'ৰ প্ৰকৃতি চমুকৈ আলোচনা কৰা।

22. Explain the mental stage of a voluntary action. 4

এটা ঐচ্ছিক ক্ৰিয়াৰ মানসিক স্তৰটো ব্যাখ্যা কৰা।

*Or / নাইবা*

Define Ethics. Why is Ethics called a normative science? 2+2=4

নীতিবিদ্যাৰ সংজ্ঞা দিয়া। নীতিবিদ্যাক কিয় আদৰ্শনিষ্ঠ বিজ্ঞান বুলি কোৱা হয় ?

23. "Religion is the source of morality." Explain the statement. 4

"ধৰ্মৰ পৰাই নীতিৰ উৎপত্তি।" কথাষাৰ ব্যাখ্যা কৰা।

*Or / নাইবা*

Write *any four* characteristics of religion. 4

ধৰ্মৰ *যিকোনো চাৰিটা* বৈশিষ্ট্য লিখা।

24. Define Unscientific Induction and state its characteristics. 1+5=6

অবৈজ্ঞানিক আগমনৰ সংজ্ঞা দিয়া আৰু ইয়াৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।



*Or / নাইবা*

Define Analogy with an example. Mention its characteristics. 3+3=6

এটা উদাহৰণসহ সাদৃশ্যানুমানৰ সংজ্ঞা দিয়া আৰু এই বিধ অনুমানৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

25. Explain the principle of Uniformity of Nature. Why is it called the formal ground of Induction? 4+2=6

প্ৰকৃতিৰ একৰূপতা বিধিটো ব্যাখ্যা কৰা। এই বিধিক কিয় আগমনৰ আকাৰগত ভিত্তি বুলি কোৱা হয় ?

*Or / নাইবা*

What is Experiment? Describe the characteristics of Experiment. 1+5=6

পৰীক্ষণ কি ? পৰীক্ষণৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা।

26. What are the conditions of a valid hypothesis? Explain *any two* of them. 2+2+2=6

বৈধ প্ৰকল্পৰ চৰ্তসমূহ কি কি ? ইয়াৰে *যিকোনো দুটা* চৰ্ত ব্যাখ্যা কৰা।

*Or / নাইবা*

What are the stages of hypothesis? Explain with examples. 2+4=6

প্ৰকল্পৰ স্তৰ কেইটা কি কি ? উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা।

27. Explain the Method of Agreement with concrete examples. 6

বাস্তৱ উদাহৰণসহ অন্বয়ী পদ্ধতিৰ ব্যাখ্যা আগবঢ়োৱা।

*Or / নাইবা*

Define the Joint Method of Agreement and Difference with an example. State *two* advantages of this method. 2+2+2=6

এটা উদাহৰণসহ মিশ্ৰ অন্বয়ী-ব্যতিৰেকী পদ্ধতিৰ সংজ্ঞা দিয়া। এই পদ্ধতিৰ *দুটা* সুবিধা উল্লেখ কৰা।

———×———